# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :** 01-02-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ৰাজ্য চৰকাৰে জাগীৰোডৰ সৈতে ভূটানক সংযোগ কৰি ১৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে। এই আঁচনি কাৰ্যকৰী হোৱাৰ লগে লগে মধ্য অসমৰ জীৱন যাত্ৰালৈ পৰিৱৰ্তন আহিব আৰু অঞ্চলটোৰ প্ৰতিচ্ছবিয়ে সলনি  হৈ পৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জাগীৰোড-মৰিগাঁও পথত কপিলী নৈৰ ওপৰত নিৰ্মাণ কৰা দুটালেনযুক্ত দলংখন উদ্বোধন কৰি এইদৰে প্ৰকাশ কৰে। এই উপলক্ষে দিয়া ভাষণত ড০ শৰ্মাই  আজিৰদিনটো গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত দাখিল কৰা কেন্দ্ৰীয় বাজেটত বছৰি ১২ লাখ টকাকৈ উপাৰ্জন কৰা ব্যক্তিয়ে আয় কৰ দিব নালাগে বুলি ঘোষণা কৰিছে। বাজেটত অসমৰ নামৰূপত প্ৰায় ১৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম ইউৰীয়া প্ৰকল্পস্থাপনৰ ঘোষণা কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে জাগীৰোডত নিৰ্মীয়মান চেমিকনডাক্টৰ প্ৰকল্পটোৱে অহা নৱেম্বৰৰ পৰা উৎপাদন আৰম্ভ কৰিব আৰু এই উদ্যোগটোৱে ৪ কোটি ৮০ লাখ চিপ নিৰ্মাণ কৰিব। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে অতি কম  সময়ৰ ভিতৰতে মৰিগাওঁৰ লাহৰিঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণৰ কথা ঘোষণা কৰিব। ৰাজ্য চৰকাৰে আহতগুৰিৰ মহযুঁজক ঐতিহাসিক ক্ৰীড়া হিচাপে স্বীকৃতি দি বিধানসভাত প্ৰয়োজনীয় বিধেয়ক উত্থাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooo

ৰাজ্যত ২০২৯ চনত মুঠ ২৪ খন চিকিৎসা মহাবিদ্যালয়ৰ লগতে নতুনকৈ দৰং, হোজাই আৰু হাইলাকাণ্ডিত চিকিৎসা মহাবিদ্যালয়ৰ বাবে বাজেটত ধন আৱণ্টন কৰা হব  বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বৰ্হিঃ বিভাগ সেৱা মুকলি কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালযসমূহৰ কৰ্মচাৰীসকলৰ বাবে প্ৰস্তুত কৰা মানৱ সম্পদ ব্যৱস্থাপনা বিষয়ক এটা পোৰ্টেল উন্মোচন কৰে। এক কোটি কৰ্কট ৰোগৰ পৰীক্ষণৰ মেগা কাৰ্যসূচী তথা কৰ্কট ৰোগৰ প্ৰশিক্ষণৰ বাবে ভাৰতী এয়াৰটেল গ্ৰুপৰ কোম্পানী ইণ্ডাচ টাৱাৰ আৰু অসম কৰ্কট ফাউণ্ডেছনৰ মাজত হোৱা  বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত তেওঁ  ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে।

oooo

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিবেশনৰ আজি দ্বিতীয় দিনা গ্ৰন্থ উন্মোচনী সভা আৰু জনগোষ্ঠীয় সাহিত্য সন্মিলন অনুষ্ঠিত হৈছে। সাহিত্য একাডেমী বঁটাপ্ৰাপক সাহিত্যিক নন্দেশ্বৰ দৈমাৰীয়ে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই সভাপতিত্ব কৰা গ্ৰন্থ উন্মোচনী সভাখন

উদ্বোধন কৰে। এই গ্ৰন্থ উন্মোচনী সভাত ১৭০খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হয়। একেদৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা দৈনিক অসম কাকতৰ সম্পাদক হীতেশ ডেকাই আজি স্মৃতিগ্ৰন্থ উন্মোচন কৰে। ০০০

০০০০

কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত আজি কাৰ্বি নৱবৰ্ষ পালন কৰা হয়। ইংৰাজী বৰ্ষৰ দ্বিতীয় মাহ ফেব্ৰুৱাৰীত কাৰ্বি নৱবৰ্ষৰ পহিলা মাহ থাংথাং আৰম্ভ হয়। কাৰ্বিসকলৰ কৃষিকৰ্মৰ পৰিক্ৰমা এই সময়ৰ পৰা আৰম্ভ হোৱাৰ সূত্ৰে এই মাহটোৱে বিশেষ তাৎপৰ্য বহন কৰে। কাৰ্বি নিংকানকিমি অৰ্থাৎ কাৰ্বি নৱবৰ্ষ উপলক্ষে কাৰ্বি কুৰুশ্বা অৰ্থাৎ পুৰোহিতসকলে বিশেষ প্ৰাৰ্থনা অনুষ্ঠান হ্ৰবং আৰনাম কিপুৰ আয়োজন কৰে। এই প্ৰাৰ্থনাত শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ কামনা কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক বিদ্যাচিং ইংলেং আৰু কাৰ্বি ৰজা লংচিং ৰংহাঙকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি ডিফুত আয়োজন কৰা নৱবৰ্ষৰ অনুষ্ঠানত উপস্থিত থাকে।

০০০০

অসমে উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত বৰ্তমানলৈকে ১২ টা পদক লাভ কৰিছে। অসমে আজি ৩ টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰে ভিতৰত অসমে সাঁতোৰত দুটা, ভাৰোত্তলনত আৰু উশ্বুত একোটাকৈ পদক অৰ্জন কৰে। বিক্ৰম চাংমাই পুৰুষৰ ২০০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক লাভ কৰে আৰু মহিলাৰ একেটা শিতানত আস্থা চৌধুৰীয়ে ব্ৰঞ্জৰ পদক হস্তগত কৰে। ভাৰত্তোলনত সুদিত্য বৰুৱাই আজি অসমক তৃতীয়টো পদক দিয়ে। সুদিত্যই পুৰুষৰ ৮৯ কিলোগ্ৰাম ওজন শাখাত স্নেছত শিতানত ১৪১ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্ক শিতানত ১৭৮ কিলোগ্ৰাম ভাৰত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। একেদৰে ক্ষুদ্ৰা পানগিঙে উশ্বুৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ চান্দা ফ্ৰিষ্টাইলৰ ফাইনেলত পৰাজিত হৈ ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়।

ইপিনে, অসমে উত্তৰাখণ্ডক ১-০ গ'লত পৰাস্ত কৰি ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফুটবলৰ চেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

বাক্সা জিলাৰ পশ্চিম খাগ্ৰাবাৰীৰ নিবাসী বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ হৰি নাৰায়ণ গোস্বামীৰ যোৱা নিশা গুৱাহাটীত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ। কেইবাখনো গ্ৰন্থৰ প্ৰণেতা কৃতি শিক্ষক আৰু দায়বদ্ধ সামাজিক নাগৰিক শিক্ষাবিদগৰাকী বাঘমাৰা আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ ভালেকেইটা সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত আছিল।

০০০০

সমাপ্ত